# নৱজ্যোতি মহাবিদ্যালয়ত আন্তৰ্জাতিক যোগ দিৱস পালন




গণ বাৰ্তা, কলগাছিয়া, ২২ জুন ঃ যোগাসন এক সূক্ষ্ম বিজ্ঞান আৰু এক আধ্যাত্মিক অনুশাসন। ই এক প্ৰাচীন ভাৰতীয় পৰম্পৰাগত বিজ্ঞান, যাৰ জৰিয়তে শৰীৰ, মন আৰু মগজুক যোগযুক্ত কৰি ৰখাৰ লগতে মানসিক প্ৰশান্তি লাভ কৰিব পাৰি। বৰ্তমান সময়াত শাৰীৰিক, মানসিক তথা আধ্যাত্মিক সুস্থতাৰ সন্তোলনৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ সুনিয়ন্ত্ৰণৰ বাবে যোগাসনৰ প্ৰয়োজন আছে। যোগাসন কোনো ধৰ্মীয় তত্ত্ব অথবা ধৰ্মীয় শিক্ষাৰ মাজত সীমাবদ্ধ নহয়, বৰং মানুহৰ মন, বুদ্ধি আৰু মগজুৰে সংযুক্ত কৰিব পৰা এক প্ৰকাৰৰ সংযোগ। এই কথা ব্যক্ত কৰে নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে দশম আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে নৱজ্যোতি মহাবিদ্যালয়ত অনুষ্ঠিত যোগাসন শিবিৰত অংশগ্ৰহণ কৰি এইদৰে কয় অধ্যক্ষই। এই আন্তৰ্জাতিক যোগ শিবিৰত যোগ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে আনোৱাৰ হুছেইনে। প্ৰশিক্ষক আনোৱাৰ হুছেইনে ঐশ্বৰ্যৰ বিষয়ক ব্যক্তব্য ৰখাৰ লগতে যোগাসনৰ পদ্ধতি, শৈলী আৰু প্ৰযোজনীয়তা সম্পৰ্কেও কয়। উক্ত যোগ শিবিৰত মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক মুস্তাফিজুৰ ৰহমানৰ সঞ্চালনাত অনুষ্ঠিত উক্ত যোগ শিবিৰৰ শেষত শলাগৰ শৰাই আগবঢ়ায় ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক আবু ছায়েদ ৰফিয়ে।

Dainik Gana Adhikar / 23rd June, 2024